আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, FEBRUARY 22, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৫৬ Guwahati, Assam ।। মূল্যঃ এটকা

## ‘মিছ ইউ পাপা’ বুলি কৈ হেৰাই গ’ল মেধাৱী ময়ূৰ

**ই-সংবাদ, ২২ ফেব্ৰুৱাৰীঃ** পুত্ৰই ‘মিছ ইউ পাপা’ বুলি পিতৃক সম্বোধন কৰি লিখা এখন চিঠি। এই চিঠিখন লিখিয়েই পৰীক্ষাত সফল নোৱাৰাৰ বাবেই নিজকে শেষ কৰি পেলালে এজন মেধাৱী ছাত্ৰই। পৰীক্ষাত বহাৰ পূৰ্বেই ফলাফল উন্নত নোহোৱাৰ অনুমান কৰিয়েই নিজকে শেষ কৰি পেলালে এজন ছাত্ৰই। এই ঘটনা সংঘটিত হৈছে গুৱাহাটী মহানগৰীত। মহানগৰীত বৃহস্পতিবাৰে এগৰাকী মেধাৱী ছাত্ৰই আত্মহনন কৰাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। বেলতলাৰ চন্দন নগৰৰ উৰ্বশী এনক্লেভৰ নিবাসী তথা দিল্লী পাব্লিক স্কুলৰ ছাত্ৰ ময়ূৰ গোস্বামীৰ মৃতদেহ উদ্ধাৰ হৈছে। ময়ূৰ গোস্বামীয়ে ফ্লেটত অকলে আছিল। জানিব পৰা মতে, ছাত্ৰ ময়ূৰ গোস্বামীয়ে আজিৰে পৰা অনুষ্ঠিত চিবিএছইৰ দ্বাদশ শ্ৰেণীৰ শেষাংশ ৩ পৃষ্ঠাত



## বিজেপিৰ ‘ৱাশ্বিং মেচিন’ত নিকা হ’ল বহু নেতা

# ইডি-চিবিআইয়ে দেখিও নেদেখে যাক!

**বিশেষ প্ৰতিবেদন, ২২ ফেব্ৰুৱাৰীঃ** সন্মুখত লোকসভা নিৰ্বাচন। ‘মোদীৰ গেৰাণ্টি’ৰ বিজ্ঞাপনেৰে এতিয়া ভৰি পৰিছে টিভি, বাতৰি কাকত আৰু সামাজিক মাধ্যম। ৰাজনৈতিক বিশ্লেষকসকলে দাবী কৰা মতে, তৃতীয়বাৰৰ বাবেও অপ্ৰতিৰোধ্য হ’ব মোদী চৰকাৰ। অৱশ্যে এইবাৰ গঠন হৈছে বিৰোধীৰ ঐক্যবন্ধন। ইণ্ডিয়া মিত্ৰজোঁটেৰে বিৰোধী দলে মোদীক প্ৰতিহত কৰিবলৈ প্ৰয়াস কৰিলেও নিবনুৱা সমস্যা, মূল্যবৃদ্ধিৰ শেষাংশ ২ পৃষ্ঠাত

## দিল্লীত বুজাপৰা চূড়ান্ত, কংগ্ৰেছে পালে তিনিখন আসন

**নতুন দিল্লী, ২২ ফেব্ৰুৱাৰীঃ** বিজেপিয়ে আগন্তুক লোকসভা নিৰ্বাচনত ৪০০ খন আসন লাভৰ শ্ল’গানত প্ৰত্যাহ্বান জনাই ‘ইণ্ডিয়া’ মিত্ৰজোঁট পুনৰ ঠন ধৰি উঠিছে। ১৭ মাহ পূৰ্বৰ পৰা ‘ইণ্ডিয়া’ মিত্ৰজোঁটে শক্তিশালী ৰূপত স্থিতি জাহিৰ কৰিছিল যদিও মাজতে ধূসৰ অৱস্থা হয়। শেষাংশ ৩ পৃষ্ঠাত



কাশ্মীৰৰ ৰাজপথত ক্ৰিকেট খেলত ব্যস্ত শচীন তেণ্ডুলকাৰ

### ১৪ মাৰ্চত মহাপঞ্চায়ত

## অধিক শক্তি প্ৰদৰ্শনৰ বাবে সাজু কৃষক

**নতুন দিল্লী, ২২ ফেব্ৰুৱাৰীঃ** এইবাৰ দিল্লীৰ ৰামলীলা ময়দানত সমৱেত হৈ শক্তি প্ৰদৰ্শন কৰিব কেইবাটাও কৃষক সংগঠনে। এজন যুৱ কৃষকৰ গাত গুলী লাগি মৃত্যু হোৱাৰ পাছতে সৰৱ হৈ পৰিছে কেইবাটাও কৃষক সংগঠন। শেষাংশ ৪ পৃষ্ঠাত

## নিৰ্দেশ বাতিল উচ্চ ন্যায়ালয়ৰ

**ইম্ফল, ২২ ফেব্ৰুৱাৰীঃ** মণিপুৰ উচ্চ ন্যায়ালয়ৰ এটা নিৰ্দেশনাৰ পাছতে জ্বলি উঠিছিল সমগ্ৰ মণিপুৰ। ৯ মাহে ৰাজ্যখনত হিংসা অব্যাহত থকাৰ অন্তত উক্ত নিৰ্দেশনা বাতিল কৰিছে উচ্চ ন্যায়ালয়ে। মণিপুৰ উচ্চ ন্যায়ালয়ে মেইটে সম্প্ৰদায়ক অনুসূচিত জনজাতি শেষাংশ ৫ পৃষ্ঠাত

## চিবিআইৰ ৰোষত মালিক

**নতুন দিল্লী, ২২ ফেব্ৰুৱাৰীঃ** চৰকাৰৰ বিৰোধ কৰা বিৰোধী দলৰ নেতাৰ সমানে সক্ৰিয় ৰাজহুৱা কৰ্মীৰ বিৰুদ্ধেও কেন্দ্ৰীয় চৰকাৰে আক্ৰোশমূলক শেষাংশ ৫ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# ইডি-চিবিআইয়ে দেখিও নেদেখে

সমস্যালৈ ভ্ৰূক্ষেপ নাই দেশৰ জনতাৰ। ৰাম মন্দিৰৰ শুভ উদ্বোধন আৰু হিন্দুত্ববাদৰ জয়জয়কাৰত দেশৰ জনতাই পাহৰি গৈছে তেওঁলোকৰ দৈনন্দিন সমস্যাসমূহৰ কথা। জনতাই পাহৰি গৈছে মল্লযুঁজাৰুৰ প্ৰতিবাদ, দিল্লীৰ কৃষকৰ নিনাদ। এনে কাৰণতে বিশেষজ্ঞসকলে দাবী কৰিছে- আগন্তুক লোকসভা নিৰ্বাচনত হেট্ৰিক কৰি ক্ষমতা অক্ষুণ্ণ ৰাখিব বিজেপিয়ে। বিজেপিৰ এই সম্ভাৱনাপূৰ্ণ জয়ৰ প্ৰতি দৃষ্টি নিৱদ্ধ হৈছে বিৰোধী নেতা-পালিনেতাৰো। সেয়ে লোকসভা নিৰ্বাচনৰ ঠিক পূৰ্বে গেৰুৱা সাজযোৰ পৰিধান কৰি ক্ষমতাসীন দলটোৰ আশীৰ্বাদপুষ্ট হৈ নিজৰ বাবে আসন এখন সংৰক্ষণৰ প্ৰয়াস চলাইছে বহু নেতাই। আনহাতে বিজেপিয়ে 'ষড়যন্ত্ৰমূলকভাৱে' জাপি দিয়া ইডি, চিবিআইৰ দৰে তদন্তকাৰী দলৰ অভিযানৰ পৰা ৰক্ষা পৰিবলৈও বহু নেতাই দল ত্যাগ কৰি বিজেপি অথবা এন ডি এৰ সহযোগী দলৰ শৰণাপন্ন হোৱাৰ অভিযোগ উত্থাপন হৈছে। মাত্ৰ দুদিন পূৰ্বে ৰাজস্থানৰ প্ৰাক্তন মন্ত্ৰী তথা কংগ্ৰেছৰ জ্যেষ্ঠ নেতা মহেন্দ্ৰজিত্ মালব্যই যোগদান কৰিছে বিজেপিত। একেদৰে পঞ্জাবৰ কংগ্ৰেছ সাংসদ প্ৰণীত কৌৰেও ঘোষণা কৰিছে বিজেপিমুখী হোৱাৰ কথা। মধ্যপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কমল নাথ আৰু তেওঁৰ পুত্ৰ কংগ্ৰেছ সাংসদ নকুল নাথেও দল এৰি বিজেপিত যোগদান কৰাৰ সম্ভাৱনীয়তাক লৈ ৰাজ্যখনৰ ৰাজনীতি উত্তাল হৈ পৰিছিল। অৱশ্যে বৰ্তমান এই চৰ্চা কিছু শাম কাটিলেও বুধবাৰে মধ্যপ্ৰদেশৰ কেইবাজনো জ্যেষ্ঠ কংগ্ৰেছ নেতাই বিজেপিত যোগদান কৰাৰ খবৰ পোৱা গৈছে। ৰাজনীতিৰ এই ক্ষমতা লাভৰ খক আৰু তামাম দুৰ্নীতিত নিজৰ নাম সাঙোৰ খাই পৰাৰ পিছত ইডি-চিবিআই, আয়কৰ বিভাগৰ বিপাটৰ আঘাতৰ পৰা ৰক্ষা কৰচ বিচাৰি বিজেপিৰ শৰণাপন্ন হৈ আহিছে বিৰোধীৰ নেতা। ২০১৪ চনৰ পিছত এনেদৰে বিজেপিত চামিল হোৱা বহু নেতাক সসন্মানেৰে আসনতো বহুৱাইছে বিজেপিয়ে। যিসকলে ৰক্ষা কৰচ বিচাৰি আহিছিল তেওঁলোকক সম্পূৰ্ণৰূপে নিৰ্ভয় প্ৰদান কৰা হৈছে। যিসকলক এদিন দুৰ্নীতিগ্ৰস্ত বুলি ককৰ্থনা কৰা হৈছিল, আজি তেওঁলোকক প্ৰকৃত দেশভক্ত আৰু সত্ বুলি প্ৰমাণপত্ৰ বিতৰণ কৰা হৈছে। আৰু এনেবোৰ কাৰণতে এতিয়া বিৰোধীয়ে বিজেপিক আন এটা নাম দিছে- ৱাশ্বিং মেছিন, য'ত নেতাৰ সকলো দাগ আঁতৰ হয়। ২০১৪ চনৰ পিছত বিজেপি আৰু এন ডি এৰ সহযোগী দলত যোগদান কৰি শাসকীয় দলৰ আশীৰ্বাদ লাভ কৰা আৰু দুৰ্নীতিমুক্ত হৈ পৰা নেতাসকলৰ মাজত আছে মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ পৰা পশ্চিম বংগৰ বিৰোধী দল পতি শুভেন্দু অধিকাৰীৰ দৰে নেতাৰ নাম। এই তালিকাত আছে অসমৰ মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ অন্যতম চৰ্চিত নেতা হিমন্ত বিশ্ব শৰ্মাৰ নামো। কংগ্ৰেছৰ তৰুণ গগৈৰ চৰকাৰত বিত্ত-স্বাস্থ্য বিভাগৰ দৰে গুৰুত্বপূৰ্ণ বিভাগৰ মন্ত্ৰিত্ব লাভ কৰাৰ পিছত হঠাৎ এদিন হিমন্ত বিশ্ব শৰ্মাই যোগদান কৰিছিল বিজেপিত। সৌ সিদিনা প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই মহাবিস্ফোৰণ ঘটাই অভিযোগ কৰিছিল যে হিমন্ত বিশ্ব শৰ্মাৰ বিজেপি গমনৰ কাৰণ আছিল তেওঁৰ পৰিয়ালৰ জে'ললৈ যোৱাৰ ভয়। ভূপেন বৰাই দাবী কৰিছিল- বিজেপিত চামিল হোৱাৰ পূৰ্বে তেওঁক দিল্লীত সাক্ষাত্ কৰিছিল হিমন্ত বিশ্ব শৰ্মাই। 'হাত' এৰি 'পদুম'ৰ সৌন্দৰ্যত বিভোৰ হৈ যোৱা ১৩ ফেব্ৰুৱাৰীত বিজেপিত চামিল হ'ল মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কংগ্ৰেছৰ প্ৰবীণ নেতা অশোক চৌহান। দল সলনি কৰাৰ পুৰস্কাৰো তেওঁক দিয়া হ'ল। পিটবস্ত্ৰ পৰিধানৰ পিছতে অশোক চৌহানক ৰাজ্যসভালৈ প্ৰেৰণ কৰে বিজেপিয়ে। উল্লেখ্য যে, মহাৰাষ্ট্ৰৰ আদৰ্শ হাউচিং ছ'চাইটি কেলেংকাৰীত অভিযুক্ত আছিল অশোক চৌহান। এই গোচৰত তেওঁৰ বিৰুদ্ধে চলি আছিল ইডি আৰু চিবিআইৰ গোচৰো। এতিয়া বিজেপিত যোগদান কৰাৰ পিছতে তেওঁৰ বিৰুদ্ধে চলি থকা গোচৰ স্থগিত ৰখা হ'ব বুলি সম্ভৱনা ব্যক্ত কৰিছে ৰাজনৈতিক বিশ্লেষকসকলে। ২০২৩ চনৰ ২ জুলাইত এন চি পিক দ্বিখণ্ডিত কৰি মহাৰাষ্ট্ৰৰ বিজেপি চৰকাৰৰ মিত্ৰজোঁটৰ অংশ হৈ পৰিছিল অজিত পাৱাৰ। নিজৰ খুৰাক শৰদ পাৱাৰৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি 'পাৱাৰ' অৰ্থাত্ ক্ষমতাৰ পিছত দৌৰা অজিতক উপযুক্ত সন্মানো প্ৰদান কৰা হয়। মহাৰাষ্ট্ৰৰ শিণ্ডে চৰকাৰৰ বৰ্তমান তেওঁ উপ-মুখ্যমন্ত্ৰী। লক্ষণীয় কথাটো হ'ল- এইগৰাকী অজিত পাৱাৰকে দুৰ্নীতিগ্ৰস্ত আখ্যা দি নিৰ্বাচনৰ পূৰ্বে জে'ললৈ প্ৰেৰণৰ প্ৰতিশ্ৰুতি দিছিল বিজেপিৰ বৰ বৰ নেতাই। কিন্তু এন চি পিক দ্বিখণ্ডিত কৰি বিজেপিৰ মিত্ৰজোঁটৰ অংশ হৈ পৰাৰ পিছতে জলসিঞ্চন কেলেংকাৰীত তেওঁৰ বিৰুদ্ধে ইডিয়ে চলাই থকা তদন্ত স্তব্ধ হৈ পৰে। অজিত পাৱাৰৰ দৰে ২০২৩ চনত একেই পথ লৈছিল এন চি পিৰ নেতা চগত ভুজবলেও। এসময়ৰ শৰদ পাৱাৰ পৰিয়ালৰ ঘনিষ্ঠ হিচাপে পৰিচিত আছিল ভুজবল। মহাৰাষ্ট্ৰ সদন কেলেংকাৰীত নাম সাঙোৰ খাই পৰা এইগৰাকী নেতা বিজেপিৰ সহযোগী হোৱাৰ পিছতে নিৰাময় লাভ কৰে এই কেলেংকাৰীৰ গোচৰৰ পৰা। বৰ্তমান কো-অপাৰেটিভ বেংক ছ'চাইটিৰ অধ্যক্ষ পদত অধিষ্ঠিত হৈ থকা প্ৰৱীণ দৰেকৰেও বিজেপিত চামিল হৈ লাভ কৰিছিল তেওঁৰ বিৰুদ্ধে চলি থকা গোচৰৰ পৰা সকাহ। ২০১৯ চনত কেন্দ্ৰত পুনৰ বিজেপিৰ চৰকাৰ গঠন হোৱাৰ পিছতে গ্ৰেপ্তাৰৰ সম্ভাৱনা বৃদ্ধি পাইছিল পশ্চিম বংগৰ তৃণমূল কংগ্ৰেছৰ নেতা শুভেন্দু অধিকাৰীৰ। বিজেপিৰ শীৰ্ষ নেতৃত্বই স্পষ্ট ইংগিত প্ৰদান কৰিছিল নেতাগৰাকীৰ গ্ৰেপ্তাৰৰ। সাৰদা কেলেংকাৰী আৰু নাৰদা ষ্টিং অপাৰেচন কেলেংকাৰীত নাম সাঙোৰ খাই পৰাৰ পিছত ইডি আৰু চিবিআইৰ তদন্তত ব্যতিব্যস্ত হৈ পৰিছিল অধিকাৰী। আৰু তেতিয়াই তেওঁ সিদ্ধান্ত লয় বিজেপি গমনৰ। ২০২০ চনৰ ডিচেম্বৰ মাহত তেওঁ মমতা বেনাৰ্জীৰ সংগ ত্যাগ কৰি বিজেপিৰ শৰণাপন্ন হোৱাৰ পিছতে ক্লীন শ্বিট লাভ কৰে ইডিৰ গোচৰৰ পৰা। আনহাতে চিবিআইয়ে চলাই থকা গোচৰো এতিয়া কোনো উম ঘাম নাই। বৰ্তমান তেওঁ পশ্চিম বংগ বিজেপিৰ প্ৰধান নেতা। সাৰদা কেলেংকাৰীত নাম সাঙোৰ খাই গ্ৰেপ্তাৰৰ আশংকাত ভুগিছিল তৃণমূল কংগ্ৰেছৰ আন এগৰাকী নেতা মুকুল ৰয়ো। মমতা বেনাৰ্জীৰ ঘনিষ্ঠ সকলৰ ভিতৰত অন্যতম মুকুল ৰয়েও তেওঁৰ বিৰুদ্ধে বৱলৈ আৰম্ভ কৰা সংকটৰ ধুমুহাজাকক বাধা দিবলৈ ২০১৭ চনত বিজেপিত যোগদান কৰে। এই যোগদানৰ পিছতে সাৰদা কেলেংকাৰীত ক্লীন শ্বিট লাভ কৰে মুকুল ৰয়ে। কিন্তু তাৰ পিছতে পশ্চিম বংগত পুনৰ তৃণমূল কংগ্ৰেছে চৰকাৰ গঠন কৰাত ২০২১ চনত ঘৰৰ ল'ৰা ঘৰলৈ উভতি আহে। ৰাজনীতিৰ পথাৰৰ অভিজ্ঞ খেলুৱৈ কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বি এইচ য়েদেয়ুৰাপ্পাৰ বিৰুদ্ধেও উত্থাপন হৈ আহিছে একাধিক কেলেংকাৰীৰ অভিযোগ। বিজেপিৰ পৰাই ৰাজনৈতিক কেৰিয়াৰৰ আৰম্ভণি কৰা য়েদেয়ুৰাপ্পাই ২০১১ চনত বিজেপি ত্যাগ কৰাৰ পিছতে তেওঁৰ বিৰুদ্ধে কেলেংকাৰীৰ অভিযোগত সৰব হৈ পৰিছিল বিজেপিৰ বৰ বৰ নেতা। কিন্তু ২০১৪ চনত তেওঁ পুনৰ বিজেপিলৈ উভতি অহাৰ পিছতে সকলো অভিযোগ নিস্তেজ হৈ পৰে। এইসকল নেতাৰ উপৰিও আৰু অনেক সৰু-বৰ নেতা আছে, যিয়ে ক্ষমতাৰ লালসাত কিম্বা কাৰাগাৰৰ ভয়ত বিজেপিত চামিল হোৱাৰ অভিযোগ উত্থাপন হৈ আহিছে। বিৰোধীয়ে বাৰম্বাৰ অভিযোগ উত্থাপন কৰি আহিছে যে মোদী চৰকাৰে ইডি, চিবিআই, আয়কৰ বিভাগ আদিৰ দৰে তদন্তকাৰী সংস্থাৰ ক্ষমতাৰ অপপ্ৰয়োগ কৰি বিৰোধীক হাৰাশাস্তি কৰিছে। বিভিন্ন গোচৰত নাম সাঙুৰি হয় নেতাক বিজেপিত চামিল হ'বলৈ বাধ্য কৰোৱা হৈছে, অন্যথা জে'ললৈ নিক্ষেপ কৰা হৈছে। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালেও অভিযোগ কৰি আহিছে যে প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী মনীষ ছিচ'দিয়া, সত্যেন্দ্ৰ জৈন আদিৰ দৰে আপ নেতাক ষড়যন্ত্ৰমূলকভাৱে কাৰাবন্দী কৰি ৰাখিছে বিজেপিয়ে। শেহতীয়াকৈ বিধানসভাত আস্থা ভোটৰ জৰিয়তে নিজৰ ক্ষমতা প্ৰদৰ্শনৰ সময়ত দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীয়ে অভিযোগ কৰিছিল যে তদন্তকাৰী সংস্থাৰ অপব্যৱহাৰ কৰি দিল্লীৰ চৰকাৰৰ পতন ঘটাবলৈ চেষ্টা কৰিছে বিজেপিয়ে। তেওঁ লগতে এয়াও অভিযোগ কৰে যে ২১ গৰাকী আম আদমী পাৰ্টিৰ বিধায়কৰ সৈতে যোগাযোগ কৰি কোটি কোটি টকাৰ অফাৰ প্ৰদান কৰিছিল বিজেপিয়ে। কিন্তু বিধানসভাত আস্থা ভোট অনুষ্ঠিত কৰি কেজৰিৱালে কয়, 'আমাক যিমানেই ক্ৰয় কৰিবলৈ চেষ্টা নকৰক কিয়, আমাক যিমানেই প্ৰলোভন আৰু ভয়-ভাবুকি নিদিয়ক কিয়, আম আদমী পাৰ্টীয়ে বিজেপিৰ বিৰুদ্ধে সদায় শক্তিশালীভাৱে যুঁজি যাব।' শেহতীয়াকৈ ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনক গ্ৰেপ্তাৰ কৰিছে তদন্তকাৰী সংস্থা ইডিয়ে। অবিজেপি ৰাজ্যখনৰ মুখ্যমন্ত্ৰীক গ্ৰেপ্তাৰক লৈও অলেখ প্ৰশ্নৰ অৱতাৰণা কৰিছে বিৰোধীয়ে। এয়া বিজেপিৰ ষড়যন্ত্ৰ বুলি অভিহিত কৰা হৈছে। বহুতে দাবী কৰিছে- ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতাগৰাকীয়ে বিজেপিত যোগদান কৰা হ'লে অথবা সমৰ্থন আগবঢ়োৱা হ'লে তেওঁক গ্ৰেপ্তাৰ কৰা নহ'লহেঁতেন। উল্লেখ্য যে, অসমতো বিজেপিমুখী বিৰোধী নেতাৰ উজান উঠিছে। যুৱ কংগ্ৰেছৰ নিলম্বিত প্ৰদেশ সভানেত্ৰী অংকিতা দত্তৰ পৰা প্ৰাক্তন বিধায়িকা বিস্মিতা গগৈলৈকে বহুতেই এতিয়া গেৰুৱা বস্ত্ৰ পৰিধান কৰিছে। আছুত থাকি 'কা' আন্দোলন কৰি বিজেপিক কাউৰে নোখোৱাকৈ সমালোচনা কৰা দিপাংক কুমাৰ গগৈয়েও শেহতীয়াকৈ যোগদান কৰিছে বিজেপিত। দল সলাই বিজেপিত চামিল হৈছে ঘনাই বং সলাই দল-বাগৰা নেতা হিচাপে পৰিচিত হোৱা কমল কুমাৰ মেধিয়েও। ইফালে প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ পদ এৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শৰণাপন্ন হৈছে কমলাক্ষ দে পুৰকায়স্থও। মঙলদৈৰ বিধায়ক বসন্ত দাসেও বিজেপি গমনৰ ইংগিত প্ৰদান কৰিছে। চৰ্চা চলিছে ৰকিবুল হুছেইনকে ধৰি আন কে'বাগৰাকী নেতাইও নিৰ্বাচনৰ পূৰ্বেও চামিল হ'ব বিজেপিত। মুখ্যমন্ত্ৰীয়ে দাবী কৰিছে- বিধায়ক, সাংসদ হ'ব নিবিচাৰি কেৱল ৰাষ্ট্ৰ সেৱাৰ বাবে বিজেপিত যোগদান কৰিলে কংগ্ৰেছ একেদিনাই খালী হৈ যাব!

প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘মিছ ইউ পাপা’ বুলি কৈ

পৰীক্ষাত বহিবলগীয়া আছিল। কিন্তু পৰীক্ষাৰ এদিন পূৰ্বে আত্মহনন কৰাৰ অভিযোগ উত্থাপন হৈছে। ফ্লেটত মৃতদেহৰ সৈতে উদ্ধাৰ হোৱা চুইছাইট নোটত মেট্ৰিকত ভাল ফলাফল কৰিব নোৱাৰাৰ দৰেই দ্বাদশৰ পৰীক্ষাটো উন্নত ফলাফল কৰিব নোৱাৰাৰ বাবেই এই পন্থা লোৱাৰ কথা উল্লেখ কৰিছে। ইতিমধ্যে আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। মেধাবী ছাত্ৰ ময়ূৰে চিবিএছইৰ দশম শ্ৰেণীৰ পৰীক্ষাত দেশৰ ভিতৰতে পঞ্চম স্থান লাভ কৰিছিল। ময়ূৰৰ পিতৃ প্ৰণৱ বৰুৱা বিশ্বনাথ চাৰিআলিৰ এখন চাহ বাগিচাৰ পৰিচালক। কৈশোৰতে মাতৃক হেৰুৱাইছিল ময়ূৰে। পুত্ৰক গুৱাহাটীৰ ফ্লেটত ৰাখি মানৰ সম্পদ হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰিছিল পিতৃয়ে। গুৱাহাটীৰ ফ্লেটত অকলে থাকিয়েই উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ বাবে সাজু হৈছিল। কিন্তু ময়ূৰে অকলে থাকি হতাশ হৈ চৰম পন্থা লোৱাৰ সন্দেহ কৰা হৈছে। ইতিমধ্যে পৰিয়ালৰ লোকসকল বেলতলাত উপস্থিত হোৱা বুলি জানিব পৰা গৈছে। আজি পুৱাই গুৱাহাটীৰ বেলতলাৰ চন্দন নগৰৰ উৰ্বশী এনক্লেভৰ প্ৰথম মহলাৰ ১০২ নং ফ্লেটৰ কোঠাৰ আবাসীয়ে ময়ূৰৰ মৃতদেহ প্ৰত্যক্ষ কৰি পৰিয়াল আৰু আৰক্ষীক খবৰ দিছিল। ঘটনাত অন্য কোনো ৰহস্য থাকিব পাৰেও বুলিও সন্দেহ কৰা হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লীত বুজাপৰা চূড়ান্ত, কংগ্ৰেছে

‘ইণ্ডিয়া’ গঠনত আগভাগ লোৱা বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰেই বিজেপিলৈ গুচি যায়। বিজেপিৰ ৰাম মন্দিৰ, ভাৰত ৰত্ন আদি ঘোষণাৰ ফলত বিৰোধী ঐক্যত জটিলতা আহে। সেই সময়ত সৰ্বশক্তিমান বিজেপি নেতৃত্বাধীন এনডিএলৈ যায় উত্তৰপ্ৰদেশৰ ৰাষ্ট্ৰীয় লোকদল। কিন্তু কংগ্ৰেছে ‘ইণ্ডিয়া’ মিত্ৰজোঁটক নতুন ৰূপত সু-সংগঠিত কৰাৰ প্ৰয়াস এৰি দিয়া নাছিল। তাৰ ফল যেন পালে কংগ্ৰেছে। এদিন পূৰ্বে উত্তৰ প্ৰদেশৰ মুখ্য বিৰোধী দল সমাজবাদী পাৰ্টীৰ সৈতে মিত্ৰতা কৰে কংগ্ৰেছে। উত্তৰ প্ৰদেশত ১৭ খন আসন কংগ্ৰেছে আৰু মধ্যপ্ৰদেশত এখন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব সমাজবাদী পাৰ্টীয়ে। উত্তৰ প্ৰদেশ আৰু মধ্যপ্ৰদেশত মিত্ৰতাৰ পাছতে উৎসাহী হৈ পৰে সমাজবাদী পাৰ্টী আৰু কংগ্ৰেছৰ নেতৃত্ব। কংগ্ৰেছ-সমাজবাদী পাৰ্টীৰ মিত্ৰতাৰ পাছতে ইণ্ডিয়া মিত্ৰজোঁটক শক্তিশালী কৰিবলৈ আগবাঢ়ি আহে অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আম আদমী পাৰ্টী। এইবাৰ অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আম আদমী পাৰ্টীৰ সৈতে মিত্ৰতা কৰিলে কংগ্ৰেছে। আপ আৰু কংগ্ৰেছৰ মিত্ৰতাৰ কথা শীঘ্ৰে এখন যুটীয়া সংবাদমেল যোগে ঘোষণা কৰিব দুয়োটা দলে। উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশৰ মিত্ৰতাৰ পাছতে দিল্লী, হাৰিয়ানা, গুজৰাট, গোৱাসহ কেইবাখনো ৰাজ্যত মিত্ৰতা হ’ব আপ-কংগ্ৰেছৰ। আপে দিল্লীৰ ৪ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব আৰু কংগ্ৰেছে ৩ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। দিল্লীত আপে নতুন দিল্লী, উত্তৰ পশ্চিম দিল্লী, পশ্চিম দিল্লী আৰু দক্ষিণ দিল্লীত প্ৰতিদ্বন্দ্বিতা কৰিব। একে সময়তে, কংগ্ৰেছে পূব দিল্লী, উত্তৰ-পূব দিল্লী আৰু চান্দনী চকত প্ৰতিদ্বন্দ্বিতা কৰিব। আজি কংগ্ৰেছৰ সাধাৰণ সম্পাদক কে.চি বেণুগোপালৰ বাসগৃহত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত দুয়ো দলৰ মাজত মিত্ৰতাৰ কথা চূড়ান্ত হোৱা বুলি খবৰ প্ৰকাশ পাইছে। দিল্লীৰ উপৰিও দুয়ো দলৰ মিত্ৰতা অনুসৰি কংগ্ৰেছে গুজৰাটত আম আদমী পাৰ্টিক দুখন আসন এৰি দিব। আম আদমী পাৰ্টিৰ প্ৰাৰ্থীয়ে গুজৰাটৰ ভাৰুচ আৰু ভাৱনগৰ আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। আম আদমী পাৰ্টীয়ে চণ্ডিগড় আসনখন কংগ্ৰেছক এৰি দিয়ে। গোৱাত, আম আদমী পাৰ্টীয়ে দক্ষিণ গোৱা আসনত প্ৰাৰ্থী ঘোষণা কৰিছিল যদিও এই আসনখন কংগ্ৰেছক এৰি দিব। কংগ্ৰেছে হাৰিয়ানাত এখন আসন আম আদমী পাৰ্টিক প্ৰদান কৰিব। ইপিনে বিহাৰত কংগ্ৰেছ-আৰজেডি, মহাৰাষ্ট্ৰত শিৱসেনা উদ্ধৱ গোট, এনচিপি শাৰদপাৱাৰ গোটৰ সৈতে মিত্ৰতা কৰিব কংগ্ৰেছে। আনহাতে পশ্চিমবংগত শাসকীয় তৃণমূল কংগ্ৰেছৰ সৈতে মিত্ৰতা হোৱাটো প্ৰায় নিশ্চিত বুলি জানিব পৰা গৈছে। আপ আৰু কংগ্ৰেছে পৃথকে পঞ্জাৱ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত লৈছে। পাৰস্পৰিক সন্মতিৰে পৃথকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত লয়।

# ৫৮ বছৰ বয়সত শিক্ষাবিদ, সমাজকৰ্মী অৰুন খেৰীয়াৰ দেহাৱসান

**ই-সংবাদ, খুমটাই, ২২ ফেব্ৰুৱাৰীঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ প্ৰাক্তন নেতা, অসম চাহ মজদুৰ সংঘৰ গোলাঘাট শাখাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট শিক্ষাবিদ, গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক অৰুন খেৰীয়াই মঙলবাৰে শেষ নিশ্বাস ত্যাগ কৰে। পুৱা গোলাঘাটৰ বেঙেনাখোৱাস্থিত নিজ বাসগৃহত ৮৫ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। কিছুদিন ধৰি ৰোগত আক্ৰান্ত হৈ আছিল অৰুন খেৰীয়া।

মৃত্যুৰ খবৰ ৰাষ্ট্ৰ হোৱাৰ পাছতে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জগদীশ বৰাইকৰ লগতে বহু সংখ্যক আটছাৰ নেতা উপস্থিত হৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শোকসন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰে। খেৰীয়াৰ পিতৃ প্ৰয়াত চানু খেৰীয়া স্বাধীনতাৰ পাছতে অনুষ্ঠিত নিৰ্বাচনত গোলাঘাটত প্ৰতিনিধিত্ব কৰা প্ৰথমজন চাহ জনগোষ্ঠীৰ বিধায়ক আছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অধিক শক্তি প্ৰদৰ্শনৰ বাবে সাজু

২৪ বছৰীয়া কৃষক শুভকৰণ সিঙক হাৰিয়ানা আৰক্ষীয়ে গুলীয়াই হত্যাৰ অভিযোগৰ পাছতে গৃহমন্ত্ৰী অমিত শ্বাহৰ পদত্যাগ দাবী কৰিছে সংযুক্ত কৃষাণ মৰ্চা, ৰাষ্ট্ৰীয় সমন্বয় সমিতিয়ে। কেৱল গৃহমন্ত্ৰী অমিত শ্বাহৰে নহয় হাৰিয়ানাৰ মুখ্যমন্ত্ৰী মনোহৰলাল খট্টৰ, গৃহমন্ত্ৰী অনিল ভিজৰ পদত্যাগ দাবী কৰিছে সংযুক্ত কিষাণ মৰ্চাই। আজি গুৰুত্বপূৰ্ণ বৈঠকৰ অন্তত সংবাদমেল পাতি এই দাবী উত্থাপন কৰিছে মৰ্চাই। আনহাতে কৃষকৰ সৈতে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিৰে অনুষ্ঠিত কৰা বৈঠকৰ আঁৰত অমিত শ্বাহ জড়িত থাকি সকলো গেম খেলি থকাৰ অভিযোগ উত্থাপন কৰে। কৃষক সংগঠনৰ নেতা ৰমিন্দৰ সিং পাটিয়ালাই কয় যে আমি বুজিব পাৰিছো যে পিছফালৰ পৰা বৈঠক কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে ডিজাইন কৰিছে। সেয়েহে, আমি অমিত শ্বাহ, হাৰিয়ানাৰ মুখ্যমন্ত্ৰী মনোহৰ লাল খট্টৰ আৰু হাৰিয়ানাৰ গৃহ মন্ত্ৰী অনিল ভিজৰ পদত্যাগ দাবী কৰিছো। সংযুক্ত কিষাণ মৰ্চা, ৰাষ্ট্ৰীয় সমন্বয় সমিতিৰ কৃষকৰ প্ৰতিবাদৰ সময়ত হাৰিয়ানা আৰক্ষীৰ পদক্ষেপক তীব্ৰ সমালোচনা কৰে। লগতে প্ৰতিবাদৰ সময়য়ত আৰক্ষীৰ গুলীত এজন যুৱ কৃষক নিহত হোৱাত দেশজুৰি প্ৰতিবাদৰ ঘোষণা কৰিছে। সংযুক্ত কিষাণ মৰ্চাই কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ পদত্যাগ দাবী কৰি কয় যে শুকুৰবাৰে (২৩ ফেব্ৰৱাৰীত) সমগ্ৰ দেশতে ক'লা দিৱস পালন কৰা হ'ব। নিহত যুৱ কৃষকজনৰ আত্মীয়ক এক কোটি টকাৰ ক্ষতিপূৰণ আৰু কৃষকজনক ঋণ মুক্ত কৰাৰ দাবী জনায়। হাৰিয়ানা আৰক্ষী, হাৰিয়ানাৰ মুখ্যমন্ত্ৰী আৰু হাৰিয়ানাৰ গৃহমন্ত্ৰীৰ বিৰুদ্ধে হত্যাৰ গোচৰ ৰুজু কৰাৰ দাবী জনায়। যুৱ কৃষকজনৰ মৃত্যুৰ ন্যায়িক তদন্তৰ দাবী উত্থাপন কৰে। কৃষক নেতাসকলে অভিযোগ কৰে যে পঞ্জাব সীমান্তত প্ৰৱেশ কৰি হাৰিয়ানা আৰক্ষীয়ে ১০০ তকৈও অধিক ট্ৰেক্টৰ ক্ষতিগ্ৰস্ত কৰিছে। যাৰ বাবে চৰকাৰেও ক্ষতিপূৰণ দিব লাগিব। চণ্ডিগড়ত ৰাষ্ট্ৰীয় সমন্বয় সমিতি আৰু সংযুক্তা কিষাণ মৰ্চাৰ বৈঠকৰ অন্তত কৃষক নেতা যোগিন্দৰ সিং উগ্ৰহন, ডঃ দৰ্শন পাল, ৰাজোৱাল, ডঃ সুনীলম, ৰাকেশ টিকাইত আৰু যুধবীৰ সিঙে সংবাদমেল অনুষ্ঠিত কৰি কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে ক্ষোভ জাহিৰ কৰে। লগতে সংযুক্ত কৃষাণ মৰ্চা আৰু ৰাষ্ট্ৰীয় সমন্বয় সমিতিয়ে কৃষকৰ দাবী পূৰণ আৰু যুৱ শ্বহীদ কৃষকৰ ন্যায় দাবী কৰি কেইবাটাও প্ৰতিবাদী কাৰ্যসূচী ঘোষণা কৰে। ১৪ মাৰ্চত দিল্লীৰ ৰামলীলা ময়দানত কিষাণ মজদুৰ মহাপঞ্চায়ত অনুষ্ঠিত কৰাৰ ঘোষণা কৰে। কিষাণ মজদুৰ মহাপঞ্চায়ত কৃষক, শ্ৰমিক, মহিলা, শিক্ষাৰ্থী আৰু যুৱক-যুৱতীসকলে অংশগ্ৰহণ কৰিব। ২৩ ফেব্ৰুৱাৰীত সমগ্ৰ দেশতে ব্লেক ফ্ৰাইডে ঘোষণা কৰে। এই সময়ছোৱাত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, হাৰিয়ানাৰ মুখ্যমন্ত্ৰী খট্টৰ আৰু হাৰিয়ানাৰ গৃহমন্ত্ৰী অনিল ভিজৰ পুত্তলিকা দাহ কৰিব কৃষকে। ২৬ ফেব্ৰুৱাৰীত সকলো ঘাইপথত ট্ৰেক্টৰৰ ৰেলী অনুষ্ঠিত হ'ব। ডব্লিউটিঅ'ৰ পৰা ভাৰতৰ প্ৰস্থানৰ দাবী কৰিব। এই সময়ছোৱাত, কৃষকসকলে তেওঁলোকৰ ট্ৰেক্টৰ ট্ৰলীৰ সৈতে ঘাইপথৰ এফালে থিয় কৰি প্ৰদৰ্শন কৰিব।কৃষক নেতা ডঃ দৰ্শন পালে কয় যে ২৬ৰ পৰা ৩১ ফেব্ৰুৱাৰীলৈ আবু ধাবিত ডব্লিউটিঅ'ৰ বৈঠক অনুষ্ঠিত হ'ব। সেই সময়ছোৱাত সমগ্ৰ দেশতে ভাৰতৰ ডব্লিউটিঅ'ৰ পৰা পৃথক হোৱাৰ দাবীত প্ৰদৰ্শন অনুষ্ঠিত হ'ব। কৃষক নেতা সুনীলমে কয় যে মহাপঞ্চায়তত এমএছপিৰ আইনী গেৰাণ্টি, ঋণ ৰেহাই, বিদ্যুতৰ ব্যক্তিগতকৰণ বাতিল কৰা আৰু লখিমপুৰ খেৰী ঘটনাত অভিযুক্ত কেন্দ্ৰীয় মন্ত্ৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনোৱা হ'ব। '



**জোনাইত বসুন্ধৰা আঁচনিৰ অধীনত ভূমি পট্টা বিতৰণৰ বাবে যোৱা হিমন্ত বিশ্ব শৰ্মাৰ সৈতে বাইদেউহঁতৰ ছেল্ফি**

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চিবিআইৰ ৰোষত মালিক

ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন হৈ আহিছে৷ লোকসভা নিৰ্বাচনৰ পূৰ্বে চৰকাৰৰ বিৰোধীৰ বিৰুদ্ধে কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ তদন্ত সংস্থাসমূহ অধিক সক্ৰিয় হোৱা দেখা গৈছে৷ এইবাৰ বিজেপিৰ নীতিৰ বিৰুদ্ধে তথা কৃষকৰ অধিকাৰৰ হকে সৰৱ সত্যপাল মালিকৰ বিৰুদ্ধে সক্ৰিয় হৈছে কেন্দ্ৰীয় চৰকাৰৰ তদন্তকাৰী সংস্থা৷ প্ৰাক্তন ৰাজ্যপাল সত্যপাল মালিকৰ ঘৰত আজি চিবিআই-এ অভিযান চলাই৷ জম্মু-কাশ্মীৰৰ প্ৰাক্তন ৰাজ্যপাল সত্যপাল মালিকৰ ২৯টা স্থানত তালাচী চলাই চিবিআই-এ৷ সত্যপাল মালিকৰ আত্মীয় অনু মালিকে বাগপতৰ লগতে আন কেইবাটাও স্থানত অভিযান চলোৱা বুলি নিশ্চিত কৰে। অনু মালিকে কয় যে মই নাজানো বিষয়টো কি। চিবিআইৰ এটা সাত জনীয়া দল আহিছিল। তেওঁলোকে ৩-৪ ঘণ্টা ধৰি ঘৰত তালাচী চলাইছিল। চিবিআইৰ দলটোৱে সত্যপাল মালিকৰ কোঠা তন্ন তন্ন কৈ তালাচী চলায়৷ সত্যপাল মালিকৰ ঘৰৰ লগতে কেইবাটাও স্থানত তালাচী চলোৱাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে কংগ্ৰেছে৷ কংগ্ৰেছ দলৰ নেতা গৌৰৱ গগৈয়ে এয়া চৰকাৰ বিৰোধীৰ কণ্ঠস্বৰ দমনৰ পদক্ষেপ বুলি কয়। কংগ্ৰেছ দলৰ শীৰ্ষ নেতা ৰাহুল গান্ধীয়ে টুইট কৰি কৃষকসকলে এমএছপি বিচাৰিছে, তাৰ পিছত তেওঁলোকক গুলীয়াই দিয়ক- এয়া মাদাৰ অফ ডেমক্ৰেছী? যদি সৈনিকে নিযুক্তি বিচাৰে, তেন্তে তেওঁলোকৰ কথা শুনিবলৈ অস্বীকাৰ কৰক- এয়া মাদাৰ অফ ডেমক্ৰেছী? যদি প্ৰাক্তন ৰাজ্যপালে সঁচা কথা কয়, তেন্তে চিবিআইক তেওঁৰ ঘৰলৈ পঠিয়াওক- এয়া মাদাৰ অফ ডেমক্ৰেছী? মুখ্য বিৰোধী দলটোৰ বেংক একাউণ্ট ফ্ৰীজ কৰক– এয়া মাদাৰ অফ ডেমক্ৰেছী? ধাৰা ১৪৪, ইণ্টাৰনেট নিষেধাজ্ঞা, কাটা তাঁৰ, কন্দুৱা গেছ নিক্ষেপ– এয়া মাদাৰ অফ ডেমক্ৰেছী? মিডিয়া হওঁক বা সামাজিক মাধ্যম হওঁক, সত্যৰ প্ৰতিটো কণ্ঠস্বৰ দমন কৰা– এয়া মাদাৰ অফ ডেমক্ৰেছী? মোডীজী, ৰাইজ অৱগত যে আপুনি গণতন্ত্ৰক হত্যা কৰিছে আৰু ৰাইজে উপযুক্ত প্ৰত্যুত্তৰ দিব বুলি কয় ৰাহুল গান্ধীয়ে৷ প্ৰাক্তন ৰাজ্যপাল সত্যপাল মালিকৰ চৌহদত চলোৱা অভিযানৰ উদ্দেশ্য হৈছে ভিন্নমতৰ কণ্ঠস্বৰ স্তব্ধ কৰা আৰু ভাৰতীয় কৃষকৰ ক্ষোভৰ পৰা মনোযোগ আঁতৰোৱা৷ ইয়াৰ উত্তৰ কেৱল সংগঠিত হৈহে দিব পাৰি বুলিও কয় ৰাহুল গান্ধীয়ে৷ ২০১৯ চনত এটা ব্যক্তিগত কোম্পানীক ২,২০০ কোটি টকাৰ কিৰু হাইড্ৰ' ইলেক্ট্ৰিক পাৱাৰ প্ৰকল্পৰ চুক্তি প্ৰদানত অনিয়মৰ অভিযোগৰ ভিত্তিত সত্যপাল মালিকৰ বিৰুদ্ধে গোচৰ পঞ্জীয়ন কৰা হৈছিল। চিবিআইয়ে এই গোচৰটোত পেটেল ইঞ্জিনিয়াৰিং লিমিটেডৰ উপৰিও চেনাব ভেলী পাৱাৰ প্ৰজেক্ট লিমিটেডৰ প্ৰাক্তন অধ্যক্ষ নবীন কুমাৰ চৌধুৰী, এম এছ বাবু, এম কে মিট্টাল আৰু অৰুণ কুমাৰ মিশ্ৰৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছিল। ২০২২ চনৰ অক্টোবৰত, চিবিআইক সত্যপাল মালিকে সোধা-পোছাৰ বাবে মাতি পঠিয়াইছিল। ২০২৩ চনৰ এপ্ৰিলত চিবিআইয়ে মালিকলৈ জাননী প্ৰেৰণ কৰে। জম্মু আৰু কাশ্মীৰৰ চৰকাৰী কৰ্মচাৰীক ৰিলায়েন্স বীমা কৰিবলৈ অনা ফাইল আৰু চেনাব ভেলী পাৱাৰ প্ৰজেক্ট লিমিটেডৰ ফাইল স্বাক্ষৰৰ বিনিময়ত কোটি কোটি টকা দিয়াৰ প্ৰস্তাৱ দিয়াৰ অভিযোগ আনিছিল মালিকে৷ তাৰ পাছত গোচৰ ৰুজু কৰা হৈছিল আৰু প্ৰশ্নৰ উত্তৰ দিবলৈ মালিকক জাননী দিয়া হৈছিল। অৱশ্যে, তথাকথিত কেলেংকাৰী সত্যপাল মালিকে নিজেই পোহৰলৈ আনিছিল। ২০২২ চনৰ ২৩ মাৰ্চত জম্মু-কাশ্মীৰৰ উপ-সচিব ড০ মহম্মদ উছমান খানে চিবিআইলৈ তদন্তৰ বাবে এখন পত্ৰ প্ৰদান কৰিছিল। পত্ৰখনত লিখিছিল যে জম্মু-কাশ্মীৰত চৰকাৰী কৰ্মচাৰী স্বাস্থ্য সেৱা বীমা আঁচনিৰ চুক্তি ৰিলায়েন্স জেনেৰেল ইঞ্চিউৰেন্স কৰ্পোৰেচন লিমিটেডক প্ৰদান কৰা আৰু জলবিদ্যুৎ প্ৰকল্পৰ কামৰ চুক্তিত অনিয়মৰ অভিযোগ উঠিছে। গোচৰক লৈ বিত্ত বিভাগ, শক্তি বিভাগ আৰু দুৰ্নীতি নিবাৰক ব্যুৰোৰ পৰা প্ৰতিবেদন বিচৰা হৈছিল। প্ৰতিবেদনৰ অন্তত তদন্তৰ ভাৰ চিবিআইয়ে লৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিৰ্দেশ বাতিল উচ্চ ন্যায়ালয়ৰ

(এছটি) তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ বিবেচনা কৰাৰ আদেশ অৱশেষত বাতিল কৰিছে। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ গোলমেই গাফুলশ্বিলুৰ বিচাৰপীঠে পূৰ্বে দিয়া নিৰ্দেশৰ পৰা বিতৰ্কিত দফাটো আঁতৰাই কয় যে এই আদেশ উচ্চতম ন্যায়ালয়ৰ সাংবিধানিক বিচাৰপীঠৰ স্থিতিৰ বিৰোধী। উল্লেখ্য যে, উচ্চ ন্যায়ালয়ে ২০২৩ৰ মাৰ্চত প্ৰদান কৰা নিৰ্দেশৰ পুনৰ বিবেচনাৰ বাবে দাখিল কৰা এখন আবেদনৰ ২১ ফেব্ৰুৱাৰীত শুনানি গ্ৰহণ কৰে উচ্চ ন্যায়ালয়ে। এই আবেদনত উল্লেখ কৰা হয় যে উচ্চতম ন্যায়ালয়ৰ মতে কোনো জনগোষ্ঠীক এছ টি তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ ন্যায়িক নিৰ্দেশনা জাৰি কৰিব নোৱাৰি, কাৰণ এয়া ৰাষ্ট্ৰপতিৰ একমাত্ৰ বিশেষাধিকাৰ। আবেদনৰ শুনানিৰ সময়ত উচ্চ ন্যায়ালয়ৰ বিচাৰপীঠে কয় যে ২০২৩ চনৰ ২৭ মাৰ্চত দিয়া নিৰ্দেশতে কোৱা হৈছিল যে যদি মেইটেই জনগোষ্ঠীক এছ টিত অন্তৰ্ভুক্ত কৰিব লাগে, তেন্তে ৰাজ্য চৰকাৰে কেন্দ্ৰলৈ পৰামৰ্শ প্ৰেৰণ কৰিব লাগিব। আদালতে নিজৰ আদেশত উচ্চতম ন্যায়ালয়ৰ সংবিধান বিচাৰপীঠৰ আদেশৰ উদ্ধৃতি দিয়ে, য'ত জনজাতিসকলক অনুসূচিত তালিকাত অন্তৰ্ভুক্ত আৰু বাদ দিয়াৰ প্ৰক্ৰিয়াৰ সিদ্ধান্ত লোৱা হয়। উচ্চতম ন্যায়ালয়ে কৈছিল যে আদালতে এছ টি তালিকাখন সম্পূৰ্ণৰূপে সলনি, সংশোধন বা পৰিৱৰ্তন কৰিব নোৱাৰে। এই দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ ওচৰতহে থাকে। প্ৰণিধানযোগ্য যে, ৩ মে'ৰ পৰা মণিপুৰত আৰম্ভ হোৱা গোষ্ঠীগত হিংসাই ইতিমধ্যে ৰাজ্যখনত ১৫০ জনৰো অধিক লোকৰ প্ৰাণ কাঢ়িছে। মান্তৰালভাৱে এই হিংসা পৰিস্থিতিত ৰাজ্যখনৰ কেইবা হাজাৰ লোক স্থানচ্যুত হ'বলগীয়া হৈছে মন্দিৰ, মছজিদ, গীৰ্জাৰ লগতে অনেক ৰাজহুৱা সম্পত্তিৰ বিস্তৰ ক্ষতিসাধন হৈছে।

# চাকৰি দিম বুলি কৈ ৪ ভাৰতীয়ক পঠিয়ালে যুদ্ধলৈ

**ই সংবাদ, নতুন দিল্লীঃ** দেশত ভয়ংকৰভাৱে বৃদ্ধি পাইছে নিবনুৱা সমস্যা। তথ্য অনুসৰি দেশৰ প্ৰতি চাৰিগৰাকী যুৱক-যুৱতীৰ মাজৰ এগৰাকীয়েই এতিয়া হাহাকাৰ কৰিবলগীয়া হৈছে সংস্থাপনৰ বাবে। এনে সময়তে বহিঃৰাষ্ট্ৰত চাকৰি দিয়াৰ প্ৰলোভনেৰে ৰাছিয়াৰ হৈ ইউক্ৰেইন সীমান্তলৈ চাৰিগৰাকী ভাৰতীয় যুৱকক যুদ্ধ কৰিবলৈ প্ৰেৰণ কৰাৰ অভিযোগ উত্থাপনে সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ। অভিযোগ অনুসৰি, ৰাছিয়াৰ ব্যক্তিগত ৱেগনাৰ বাহিনীৰ হৈ যুদ্ধ কৰিবলৈ প্ৰতাৰণাৰে ইউক্ৰেইনৰ সীমান্তলৈ প্ৰেৰণ কৰা হৈছে ভাৰতীয় যুৱক কেইজনক। বাতৰি অনুসৰি, এইদৰে প্ৰতাৰণাৰে ইউক্ৰেইন সীমান্তলৈ প্ৰেৰণ কৰা যুৱক চাৰিজনৰ তিনিজনৰ ঘৰ হৈছে কৰ্ণাটকৰ কালবুৰ্গীত। আনহাতে আনজন যুৱক ২২ বৰ্ষীয় মহম্মদ চুফিয়ানৰ ঘৰ হৈছে তেলেংগানাত। চুফিয়ানে পৰিয়াললৈ প্ৰেৰণ কৰা এটা ভিডিঅ'ত চাকৰি দিয়াৰ নামত প্ৰতাৰণা কৰি যুদ্ধৰ বাবে পঠিওৱাৰ অভিযোগ তোলে। লগতে তেওঁলোকক নিৰাপদে উদ্ধাৰ কৰি স্বদেশলৈ উভতাই আনিবলৈও ভাৰত চৰকাৰক অনুৰোধ জনায় যুৱকজনে।

ভিডিঅ'টোত কয়, 'প্লিজ আমাক বচাওক। আমি ভয়ংকৰ প্ৰৱঞ্চনাৰ বলি হৈছো।' উল্লেখ্য যে, এই ভিডিঅ'টোত সেনা বাহিনীৰ পোছাক পৰিধান কৰি থকা দেখা গৈছে চুফিয়ানক। তেওঁ অভিযোগ কৰে যে তেওঁলোকক বলপূৰ্বকভাৱে ৰাছিয়াৰ হৈ যুঁজিবলৈ পঠিওৱা হৈছিল। তেওঁ জানিবলৈ দিয়া মতে, ২০২৩ চনৰ ডিচেম্বৰ মাহত তেওঁলোকক ৰাছিয়ালৈ প্ৰেৰণ কৰা হৈছিল। তেওঁলোকক সেনাবাহিনীৰ নিৰাপত্তাৰক্ষীৰ সহায়ক হিচাপে কাম কৰিবলৈ দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিয়া হৈছিল। অৱশ্যে সেয়া নহ'ল বুলি অভিযোগ উত্থাপন হৈছে। অভিযোগ অনুসৰি, চাৰি যুৱকে ডুবাইত কাম কৰি থকাৰ সময়তে লগ পাইছিল চাকৰি প্ৰৱঞ্চকজনক। ইয়াৰ পিছতে তেওঁলোকক ভাল দৰমহাৰ চাকৰি প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়া হয়। ২০২৩ চনৰ নৱেম্বৰ মাহত ডুবাইৰ পৰা ঘৰলৈ উভতি আহিছিল। ইয়াৰ পিছত ডিচেম্বৰ মাহত তেওঁলোকক ৰাছিয়ালৈ পঠিওৱা হয়। জানিব পৰা মতে, ভিজিটৰ ভিছাত চেন্নাইৰ পৰা ৰাছিয়ালৈ বিমানেৰে গৈছিল যুৱক কেইজনে। ৰাছিয়াত তেওঁলোকক মাহে দু লাখ টকা দৰমহাৰ চাকৰি প্ৰদানৰ প্ৰতিশ্ৰুতি দিছিল প্ৰৱঞ্চকজনে। ইফালে যুৱক কেইজনৰ পৰিয়ালে অভিযোগ কৰা মতে, এই প্ৰৱঞ্চকজনে চাকৰি দিয়াৰ বাবদ যুৱক কেইজনৰ প্ৰত্যেকৰে পৰা চাৰে তিনিলাখ টকাকৈ লৈছিল। কিন্তু ৰাছিয়ালৈ লৈ যোৱাৰ পিছতে তেওঁলোকক ভাড়াতীয়া সেনাবাহিনীত নিযুক্তি দিয়া হয়। উল্লেখ্য যে, বিগত প্ৰায় এবছৰ ধৰি অব্যাহত আছে ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধ। চুফিয়ানৰ ভাতৃ চৈয়দ ছলমানে সংবাদ মাধ্যমৰ আগত কয়, "১৫ দিন আগতে ভাইটিয়ে ফোন কৰিছিল। তেওঁলোকে কয় যে তেওঁলোক ইউক্ৰেইনৰ সীমান্তৰ পৰা ৪০ কিলোমিটাৰ দূৰত আছে। তেওঁ কয় যে তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে তেওঁক তালৈ লৈ যোৱা হৈছে।" অভিযোগ অনুসৰি সেই চাৰিজনৰ বাহিৰেও ৬০ জন ভাৰতীয়ক তেওঁলোকৰ ইচ্ছাৰ বিৰুদ্ধে ৰাছিয়াৰ ভাড়াতীয়া বাহিনীত নিযুক্তি দিয়া হৈছে। যুদ্ধৰ বাবে ৰাছিয়ান ভাষাত চুক্তি স্বাক্ষৰিত হৈছিল। অভিযোগ অনুসৰি মহাৰাষ্ট্ৰৰ এজন ব্যক্তিয়ে তেওঁলোকক চাকৰিৰ প্ৰলোভনেৰে ৰাছিয়ালৈ প্ৰেৰণ কৰি ভাড়াতীয়া সেনাবাহিনীত নিযুক্তি দিছিল।



**চীনৰ লাংটেন ফেষ্টিভেলৰ প্ৰস্তুতিত ব্যস্ত কেইটিমান কণমাণি**

# কৰ নিদিলে গুৱাহাটীবাসীক পানী নিদিয়া ঘোষণাক লৈ আপ অসমৰ তীব্ৰ গৰিহনা

## গুৱাহাটীবাসীক জীয়াই থকাৰ অধিকাৰত আক্ৰমণ

**ই সংবাদ, গুৱাহাটী, ২২ফেব্ৰুৱাৰীঃ** উদং ৰাজভড়াল পুৰাবলৈ চৰকাৰক এতিয়া কেৱল লাগে কৰ৷ বিভিন্ন সংস্থা, নিগম-নিকায়ৰ দ্বাৰা যেনেদৰেই নহওক চৰকাৰৰ ঘৰলৈ কৰ আহিব লাগে৷ জনগণক টেঁটুচেপা দি কৰ আদায় কৰিবলৈ আকৌ এবাৰ সাজু হৈছে চৰকাৰ৷ ইতিমধ্যে মাটিৰ খাজনা, পৌৰ কৰ আদি বৃদ্ধি কৰি চৰকাৰে জনগণক টেঁটুচেপা দি আহিছে৷ এইবাৰ কৰ আদায় কৰিবলৈ চৰকাৰে ব্ৰিটিছৰ পন্থা অৱলম্বন কৰিছে৷ নিগমে পৌৰ কৰ আদায় কৰিবলৈ জনগণৰ মৌলিক অধিকাৰ খৰ্ব হ'ব পৰা ফৰমান জাৰি কৰিছে৷ গুৱাহাটী পৌৰ নিগমে সম্পত্তিৰ কৰ আদায় নিদিলে বিশুদ্ধ খোৱাপানীৰ যোগান বন্ধ কৰিব চৰকাৰে৷ এনে হিটলাৰী ফৰমান জাৰি কৰাৰ পাছতে সৰৱ হৈছে বিভিন্ন দল-সংগঠন৷ গুৱাহাটী পৌৰ নিগমে সম্পত্তি কৰ আদায় নিদিলে খোৱাপানীৰ যোগান বন্ধ কৰাৰ ধমক দিছিল৷ গুৱাহাটীত কেইবা হাজাৰ এনে পৰিয়াল আছে যিসমূহ পৰিয়ালে আৰ্থিক দৈন্যতাৰ বাবে সম্পত্তি কৰ৷ আদায় দিবলৈ সক্ষম নহয়৷ তেনে পৰিয়ালসমূহৰ পানী যোগান বন্ধ কৰি দিয়া হ'ব বুলি মন্তব্য কৰিছিল মেয়ৰ মৃগেন শৰণীয়াই৷ তাৰ পাছতে কংগ্ৰেছ আৰু আম আদমী পাৰ্টি সৰৱ হৈছে। আপ অসমৰ মুখপাত্ৰ অনুৰূপা ডেকা ৰজাই চৰকাৰে কৰ আদায়ৰ নামত মহানগৰবাসীৰ জীয়াই থকাৰ অধিকাৰত আক্ৰমণ বুলি অভিহিত কৰে৷ নিকৃষ্ট পন্থাক তীব্ৰ সমালোচনা কৰি অনুৰূপা ডেকা ৰজাই কয় যে প্ৰায় ডেৰলাখ কোটি টকাৰ ধাৰৰ বোজাত ককবকাই আছে এইখন চৰকাৰ । কিন্তু জনগণৰ পৰা কৰ সংগ্ৰহ কৰিবলৈ হিটলাৰী পন্থা লৈছে। নিৰ্বাচনৰ পূৰ্বে প্ৰতিটো পৰিয়ালক বিশুদ্ধ পানী যোগানৰ প্ৰতিশ্ৰুতি দিয়া চৰকাৰে কৰ আদায় নিদিলে পানী বন্ধ কৰি দিয়াৰ অমানৱীয় সিদ্ধান্ত গ্ৰহণ কৰিছে। সম্পত্তি কৰ আদায় নিদিয়াৰ বাবে ইতিমধ্যে অৰ্ধ শতাধিক লোকৰ বিৰুদ্ধে চমন জাৰি কৰিছে। সম্পত্তিৰ কৰ আদায়ৰ উদ্দেশ্যে জলবৰ্ডৰ সৈতে নিগমে চুক্তি কৰিছে যে খোৱাপানীৰ সংযোগ কৰ্তন কৰা হ'ব৷ মেয়ৰ মৃগেন শৰণীয়াক এঘণ্টাৰ বাবেও পানী নোখোৱাকৈ জীয়াই থাকিবলৈ আহ্বান জনাই আপে৷ এনে সিদ্ধান্তৰ দ্বাৰা বিজেপি চৰকাৰে জনগণৰ সাংবিধানিক অধিকাৰ খৰ্ব কৰা বুলি উল্লেখ কৰিছে কংগ্ৰেছে৷ ইয়াৰ পূৰ্বে সম্পত্তি কৰৰ সৈতে হল্ডিং নম্বৰ সংযোগ নকৰিলে বিদ্যুত সংযোগৰ সিদ্ধান্ত লৈছিল পৌৰ নিগমে৷

# বৰহোলাবাসীক প্ৰতাৰণা অ'এনজিচিৰ

**ই-সংবাদ, বৰহোলা, ২২ ফেব্ৰুৱাৰীঃ** স্বাধীনতাৰ ৭৫ বছৰ পাছতো প্ৰাকৃতিক সম্পদেৰে চহকী যোৰহাট জিলাৰ বৰহোলা-বালিজান অঞ্চল সকলো ক্ষেত্ৰতে পিছ পৰি আছে৷ বৰহোলা-বালিজানৰ বুকুৰ পৰা প্ৰাকৃতিক সম্পদ সাৰুৱা তেল-গেছ উলিয়াই নি থকাৰ পাছতো তেল আৰু প্ৰাকৃতিক গেছ নিগমে অঞ্চলটোক পিঠি দি আহিছে৷ দশকৰ পাছত দশক ধৰি বৰহোলা-বালিজান অঞ্চলৰ উন্নয়নৰ বাবে আৰ্জি দি অহাৰ পাছতো আজিলৈ গুৰুত্ব নিদিলে তেল আৰু প্ৰাকৃতিক গেছ নিগমে৷ যাৰ ফলত সৰৱ হৈছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ৷ উন্নয়নকপিঠি দি স্থানীয় জনগণত প্ৰতাৰণা কৰাৰ অভিযোগ উত্থাপন কৰি আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে প্ৰতিবাদ সাব্যস্ত কৰে৷ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বৰহোলা আঞ্চলিক আৰু বালিজান শাখা সমিতিয়ে পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ন কৰে। অ'এনজিচিৰ অধীনৰ নিৰ্মাণত প্ৰকল্পত নিম্ন মানদণ্ডৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰে সংগঠনটোৱে৷ ইমানে নহয় অবৈধভাৱে ৰাজহ ফাঁকি দি শিল-বালি-মাটি ব্যৱহাৰ কৰি নিৰ্মাণ কাৰ্য চলাই থকাৰ অভিযোগ উঠিছে। যুৱ-ছাত্ৰ পৰিষদৰ বৰহোলা আঞ্চলিক সমিতিয়ে প্ৰতিবাদ সাব্যস্ত কৰি ।ঠিকাদাৰপক্ষক সঁকিয়াই দি অঞ্চলটোৰ ক্ষতিসাধন হ'ব পৰা কাম নকৰিবলৈ স্পষ্ট কৰে৷ ৰাজহুৱা শুনানি অনুষ্ঠিত কৰি অভিযোগৰ উচিত তদন্তৰ লগতে বৰহোলা-বালিজান অঞ্চলৰ প্ৰকল্পসমূহ বিভাগীয় নিৰ্দেশ অনুসৰি সুপৰিকল্পিতভাৱে নিৰ্মাণ কৰাৰ দাবী জনায়৷ অঞ্চলটোৰ ক্ষতি যাতে নহয় তাৰ প্ৰতি লক্ষ্য ৰখাৰ লগতে তৈল খাদসমূহৰ দাঁতি-কাষৰীয়া দৰিদ্ৰ জনসাধাৰণ, কৃষকসকল উপকৃত হ'ব পৰাকৈ সামাজিক দায়বদ্ধতা আঁচনিৰ জৰীৰতে উন্নয়নৰ আঁচনি গ্ৰহণ কৰাৰো দাবী জনায়৷ অনাগত দিনত শক্তিশালি জংগী আন্দোলনৰ কাৰ্যসূচী লোৱাৰ হুংকাৰ দিয়ে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বৰহোলা আঞ্চলিক সমিতিয়ে

# প্ৰাক্তন মন্ত্ৰী ৰমণী বৰ্মনক জীৱন শিল্পী আদ্য শৰ্মা বঁটা প্ৰদান

**ই সংবাদ, নলবাৰী, ২২ফেব্ৰুৱাৰীঃ** মন্ত্ৰী হৈও জীৱনৰ বিয়লি বেলাত নলবাৰীৰ ভাড়াঘৰত দিন কটোৱা মন্ত্ৰী ৰমণী বৰ্মনক আজি জীৱন শিল্পী আদ্য শৰ্মা বঁটা প্ৰদান কৰা হয়। শয্যাগত ৰমণী বৰ্মনক বিচনাতে নলবাৰী আৰ্ট স্কুলৰ তৰফৰ পৰা জীৱন শিল্পী আদ্য শৰ্মা বঁটা প্ৰদান কৰা হয়। আজি দিনৰভাগত নলবাৰী আৰ্ট স্কুলৰ এটা প্ৰতিনিধি দলে মন্ত্ৰী ৰমনী বৰ্মনৰ ভাড়াঘৰত উপস্থিত হয়। নলবাৰী আৰ্ট স্কুলে প্ৰাক্তন মন্ত্ৰী গৰাকীৰ ভাড়াঘৰতে

এই বঁটা প্ৰদান কৰে। ২২ ফেব্ৰুৱাৰীত জীৱন শিল্পী আদ্য শৰ্মাৰ নৱম বাৰ্ষিক মৃত্যু তিথিত এই বঁটা ঘোষণা কৰা হৈছিল। স্বাস্থ্যৰ অৱনতি বাবে ঘৰতে প্ৰদান কৰা হয় এই বঁটা। জীৱন শিল্পী আদ্য শৰ্মা বঁটা প্ৰদান কৰি অৱসৰপ্ৰাপ্ত অধ্যাপক তথা প্ৰাক্তন মন্ত্ৰী ৰমনী বৰ্মনৰ কৰ্মৰাজিক আকৌ এবাৰ স্বীকৃতি প্ৰদান কৰিলে নলবাৰী আৰ্ট স্কুলে। মূল্যবোধৰ ৰাজনীতি কৰা ৰমণী বৰ্মনে প্ৰাক্তন মন্ত্ৰী হৈও ধন জমা কৰিব নোৱাৰাৰ লগতে এটাঘৰ নিৰ্মাণ কৰিব নোৱাৰিলে।

অৰ্থৰ অভাৱত উন্নত চিকিৎসা কৰিব নোৱাৰি ভাৰাঘৰৰ বিচনাত শয্যাগত হৈ নিৰবে মৃত্যুৰ ক্ষণ গণিছে। জীৱনৰ বিয়লি বেলাত ভাৰাঘৰৰ কোঠাত সাধাৰণ লোকৰ দৰেই বিচনাত দিন কটাইছে বৰ্মনে। ১৯৭৮ চনৰ জনতা পাৰ্টিৰ গোলাপ বৰবৰা নেতৃত্বাধীন অসম চৰকাৰৰ শিক্ষা আৰু গৃহ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী আছিল। নলবাৰী মহাবিদ্যালয়ৰ অধ্যাপক আছিল অধ্যাপক ৰমণী বৰ্মন। প্ৰজ্ঞাৰ সাধক ৰমণী বৰ্মনৰ ভাড়াঘৰেই এতিয়া শেষ ঠিকনা।

# ভূটান সীমান্তৱৰ্তী পথৰ লগতে কেইবাটাও প্ৰকল্পক ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদৰ অনুমোদন

## নিৰ্মাণ হ'ব অসম মালা প্ৰকল্পৰ আমটোকা-চাপাগুৰি পথ

**ই সংবাদ, গুৱাহাটী, ২২ফেব্ৰুৱাৰীঃ** অসমৰ কেইবাটাও পথ নিৰ্মাণ প্ৰকল্পৰ বাধা আতৰিল। আজি ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদে সেউজ সংকেত দিয়াৰ পাছতে পথসমূহ নিৰ্মাণৰ কাম আৰম্ভ কৰিব পাৰিব। ভাৰত-ভূটান সীমান্ত সংযোগী আমটেকা-চাপাগুৰি পথ, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে নিৰ্মাণ হ'বলগীয়া এলিভেটেড কৰিডৰ, গুৱাহাটী ৰিং ৰোড প্ৰকল্পত অনুমোদন জনাইছে। লগতে নাৰেংগী-কুৰুৱা দলং, দীপাৰ বিল ৰেলৰে এলিভেটেড ৰে'লৱে কৰিডৰ, দীপাৰ বিল এলিভেটেড ৰে'লৱে কৰিডৰৰ অনুমোদন জনাইছে। পথ নিৰ্মাণ প্ৰকল্পৰ অনুমোদনে সাপেক্ষে সীমান্তৱৰ্তী এলেকাৰ আন্তঃগাঁথনিৰ

উন্নয়ন হ'ব বুলি দোহাৰে ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদে। ভাৰত-ভূটান সীমান্ত সংযোগী আমটেকা-চাপাগুৰি পথ নিৰ্মাণৰ বাধা আতৰিল। ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদে ভূটান সীমান্ত সংযোগী অসম মালা প্ৰকল্পৰ আমটেকা-চাপাগুৰি পথ নিৰ্মাণত অনুমোদন জনাইছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে নিৰ্মাণ হ'বলগীয়া এলিভেটেড কৰিডৰ, গুৱাহাটী ৰিং ৰোড প্ৰকল্প, নাৰেংগী-কুৰুৱা দলং, দীপাৰ বিল ৰে'লৱে এলিভেটেড কৰিডৰ, দীপাৰ বিল এলিভেটেড কৰিডৰৰ অনুমোদন জনাইছে ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক্সত এটা পোষ্ট দি আজি এই কথা ৰাজহুৱা কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে আজি অসমৰ বাবে

এক গুৰুত্বপূৰ্ণ দিনহিচাপে বিবেচিত হৈছে। কিয়নো বন্যপ্ৰাণী সম্পৰ্কীয় সকলো বিষয়ৰ ভাৰতৰ শীৰ্ষ সংস্থা এনবিডব্লিউএল-এ অসমৰ বাবে পাঁচটা অতি গুৰুত্বপূৰ্ণ প্ৰকল্পত অনুমোদন জনাইছে। ভাৰত চৰকাৰৰ অধীনৰ সংস্থাটোক কৃতজ্ঞতা জ্ঞাপন কৰে। প্ৰায় ৫ বছৰ পূৰ্বেই কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে গুৱাহাটীত ৰিং ৰোড, কাজিৰঙাত ৩২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলিভেটেড কৰিডৰৰ ঘোষণা কৰিছিল। প্ৰায় ৫ বছৰে নিৰ্মাণ নোহোৱা প্ৰকল্পসমূহ লোকসভা নিৰ্বাচনৰ পূৰ্বে পুনৰ চৰ্চালৈ অনা হৈছে। কেৱল নিৰ্বাচনী বৈতৰণী পাৰ কৰিবলৈ প্ৰকল্পৰ কথা পুনৰ চৰ্চা হৈছে নেকি প্ৰশ্ন উঠিছে।

শেষ পৃষ্ঠা

# পুণে টেনিছ কোৱাৰ্টাৰত নিকি

**পুণে, ২২ ফেব্ৰুৱাৰীঃ** পুনে চেলেঞ্জাৰ এ টি পি টেনিছৰ কোৱাৰ্টাৰত প্ৰৱেশ কৰিছে ভাৰতৰ নিকি কালিয়ান্দা পুনচা। দ্বিতীয় ৰাউণ্ডত তেওঁ দেশৰ শীৰ্ষ বাচনিৰ তাৰকা খেলুৱৈ সুমিত নাগালক ৬-৪, ৬-৩ ছেটত পৰাজিত কৰে। আন এখন ছিংগলছ মেছত ভাৰতৰ ৰামকুমাৰ ৰামনাথন ৰাছিয়াৰ এলেক্ৰে জেখাৰভৰ হাতত ৬-৪, ৬-৪ ত পৰাস্ত হয়। ইফালে আজি টুৰ্ণামেণ্টখনৰ ডব'লছত ভাৰতীয় খেলুৱৈসকলে প্ৰভুত্ব বিস্তাৰ কৰিবলৈ সক্ষম হয়। ভাৰতৰ জীৱন নেদুনচেজিয়ান আৰু অৰ্জুন খাড়ে আৰু ছাকেথ মেইনানী আৰু ৰামকুমাৰ ৰামনাথন যুটি দুটাই ছেমিফাইনেলত প্ৰৱেশ কৰিছে। জীৱন-অৰ্জুনে জাৰ্মানীৰ জেকব স্নাইটাৰ আৰু মাৰ্ক ৱেলনাৰক ৬-৪, ৭-৬ ত আৰু ৰামনাথন-মেইনানীয়ে ক্ৰোট-ইটালীয়ান যুটি দুজে এজদুকভিচ আৰু এনৰিকো দাল্লা ভাল্লাক ৬-২, ৬-৭ আৰু ১০-২ ছেটত পৰাজিত কৰে। প্ৰতিযোগিতাখনীৰ ডব'লছত অল-ইণ্ডিয়ান ফাইনেল দেখা পোৱাৰ সম্ভাৱনা প্ৰকট হৈছে।

# পেৰিছলৈ ভাৰতীয় দল

**দিল্লী, ২২ ফেব্ৰুৱাৰীঃ** ভৰতৰ পুৰুষ মহিলা দুয়োটা দলে অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰি টেবুল টেনিছত ইতিহাস ৰচনা কৰিবলৈ সক্ষম হৈছে। বিশ্ব টেবুল টেনিছ চেম্পিয়নশ্বিপৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ পৰা কালি দুয়োটা দল বাহিৰ হ'লে দলীয় ৰেংকিঙৰ ভিত্তিত ভাৰতে পেৰিছ অলিম্পিকৰ বাবে টিকট লাভ কৰে। উল্লেখ্য যে ২০০৮ চনৰ বেইজিং অলিম্পিকত টেবুল টেনিছ অন্তৰ্ভুক্ত কৰাৰ পিছত এইবাৰ ভাৰতৰ পুৰুষ আৰু মহিলা দুয়োটা দলে একেলগে অলিম্পিকত ভাগ লোৱাৰ গৌৰৱ অৰ্জন কৰিছে।




Ads Via G-Adsense


# আফগানিস্তানত ৰাজহুৱাকৈ গুলীয়াই দুজনক মৃত্যুদণ্ড



**অনলাইন ফিচাৰ্চ, ২২ ফেব্ৰুৱাৰীঃ** তালিবানৰ নৃশংস শাস্তি সৰ্বজনবিদিত। আনহাতে আফগানিস্তানত ক্ষমতা দখলৰ পিছতে যেন নৃশংসতাৰ অনুজ্ঞাপত্ৰ লাভ কৰিছে তালিবান চৰকাৰে। শেহতীয়াকৈ আফগানিস্তানত দুজন ব্যক্তিক আদালতে দোষী সাব্যস্ত কৰাৰ পিছত ৰাজহুৱাভাৱে গুলীয়াই হত্যা কৰাৰ ঘটনাই সমগ্ৰ বিশ্বতে সৃষ্টি কৰিছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। বৃহস্পতিবাৰে পূব আফগানিস্তানৰ গাজনী চহৰৰ ফুটবল ষ্টেডিয়ামত ৰাজহুৱাভাৱে গুলীয়াই মৃত্যুৰ শাস্তি বিহে আফগান আৰক্ষীয়ে। সংবাদ মাধ্যমৰ খবৰ অনুসৰি, আফগানিস্তানৰ সৰ্বোচ্চ নেতা হিবাতুল্লাহ আখুণ্ডজাদাৰ স্বাক্ষৰিত ডেথ ৱাৰেণ্ট দেশখনৰ সৰ্বোচ্চ ন্যায়ালয়ৰ এগৰাকী বিষয়াই উচ্চস্বৰে পাঠ কৰাৰ পিছতে দুই অপৰাধীক ফুটবল ষ্টেডিয়ামত গুলীয়াই হত্যা কৰা হয়। আফগানিস্তানৰ সৰ্বোচ্চ ন্যায়ালয়ৰ মুৰব্বী আতিকুল্লাহ দৰৱিছে কয় যে হত্যাৰ গোচৰত দুবছৰ ধৰি চলা বিচাৰ প্ৰক্ৰিয়াৰ অন্তত দুয়োজন ব্যক্তিক দোষী সাব্যস্ত কৰি সৰ্বোচ্চ ন্যায়ালয়ে মৃত্যুদণ্ডৰ শাস্তি বিহিছিল। সংবাদ মাধ্যমৰ খবৰ অনুসৰি, গাজনী চহৰৰ হাজাৰ হাজাৰ লোকে এই ষ্টেডিয়ামত সমবেত হৈ লোক দুজনৰ মৃত্যুৰ শাস্তি প্ৰত্যক্ষ কৰে। এই শাস্তিৰ সময়ত অপৰাধী দুজনৰ পৰিয়ালৰ সদস্যও উপস্থিত থাকে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান
ই-মেইলঃ newsnextne@gmail.com